Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Letters and sounds of English

# ইংৰাজী বৰ্ণ আৰু ধ্বনি






Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

BY SA
http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon:*  *. This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 EE03v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

## এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটৰ পৰা ইংৰাজী ধ্বনি, বৰ্ণ আৰু শব্দৰ অনুশীলনৰ বাবে শ্ৰেণীকোঠাত প্ৰয়োজনীয় ত্ৰি য়া-কলাপৰ বিষয়ে জানিব পাৰিব।

আমি জানোঁ যে, ইংৰাজী পঢ়িবলৈ শিকাৰ প্ৰথম গুৰুত্বপূৰ্ণ পদক্ষেপ হৈছে, ইংৰাজী বৰ্ণ আৰু ধ্বনিৰ বিষয়ে জনা। অৱশ্যে, পঢ়িবলৈ শিকাৰ বাবে এইটোৱেই যথেষ্ট নহয়। পঠন অৰ্হতা আয়ত্ত কৰিবৰ বাবে অৰ্থৰ প্ৰতি লক্ষ্য ৰাখিব লাগে। আপুনি আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে ইংৰাজী বৰ্ণ আৰু ধ্বনিৰ অনুশীলন কৰাত সহায় হোৱাকৈ এই গোটৰ ত্ৰি য়া-কলাপবোৰ সজোৱা হৈছে।

## এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ পৰ্যায়ত ইংৰাজী বৰ্ণ আৰু ধ্বনিৰ অনুশীলন কৰিব পাৰিব।
- শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ লগত ইংৰাজী বৰ্ণ আৰু ধ্বনি অনুশীলন কৰিব পাৰিব।
- ইংৰাজী ধ্বনি, বৰ্ণ আৰু শব্দৰ বাবে ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিব।

## ১) ইংৰাজী উচ্চাৰণ (1 English pronunciation)

প্ৰথমটো ত্ৰি য়া-কলাপত আপুনি আপোনাৰ পৰ্যায়ত সহায় হোৱাকৈ ইংৰাজী উচ্চাৰণৰ সমল ব্যৱহাৰ কৰিব।

### ত্ৰি য়া-কলাপ ১ ঃ ইংৰাজী বৰ্ণ আৰু ধ্বনি (Activity 1: English letters and sounds)

ইংৰাজী বৰ্ণবোৰেৰে যেতিয়া শব্দ গঠন কৰা হয় তেতিয়া ই ধ্বনিৰ পৰা বহুত বেলেগ হ'ব পাৰে।

ইংৰাজী 'b' বৰ্ণটোকে ধৰা হ'ল। ক'ৰবাত ই ধ্বনিত হ'ব 'bee' ৰ দৰে। এই বৰ্ণৰে আৰম্ভ হোৱা কিছুমান ইংৰাজী শব্দ কি কি? আপুনি নিশ্চয় 'bag', 'bus' নতুবা 'bell' ভাবিছে। এই শব্দবোৰ ডাঙৰকৈ কওকচোন।

যেতিয়া আপুনি এই শব্দবোৰ ডাঙৰকৈ ক'ব, আপুনি বৰ্ণটোৰ ধ্বনিটো অলপ 'bh' ৰ দৰে শুনিব। মাত্ৰ 'b' ধ্বনিৰ দৰে ক'বলৈ চেষ্টা কৰক আৰু 'bag' আৰু 'boy' শব্দ দুটাৰ 'b' ধ্বনিটো শুনক। 'b' বৰ্ণটোৰ নাম আৰু বৰ্ণটোৰ ধ্বনিৰ মাজত থকা পাৰ্থক্যটো শুনকচোন।

এইবাৰ ইংৰাজী বৰ্ণ 'r' (আৰ) ৰ নামটো উচ্চাৰণ কৰিবলৈ যত্ন কৰক। 'r' ৰে আৰম্ভ হোৱা কিছুমান শব্দ ডাঙৰ ডাঙৰকৈ কওকচোন।

এই শব্দবোৰত 'r' ৰ ধ্বনিটো কেনেধৰণৰ হৈছে মন কৰিছেনে? কেনেকৈ 'r' ধ্বনিটো অলপ 'are' ৰ দৰে হৈছে শুনকচোন। কিন্তু মন কৰিবলগীয়া যে ধ্বনিটো অলপ 'rrr' ৰ নিচিনা।

ইংৰাজী স্বৰবৰ্ণ - 'a', 'e', 'i', 'o', 'u' ধ্বনিৰ পৰিৱৰ্তন হয় শব্দটোত থকা ধ্বনিৰ ওপৰত নিৰ্ভৰ কৰি।

১ নং সমলটো চাওক। নিজে বৰ্ণ আৰু ধ্বনি ব্যৱহাৰ কৰি চাওক। আপুনি নিজৰ আত্মবি শ্বাস আৰু উচ্চাৰণৰ মূল্যায়ন কেনেকৈ কৰিব? ইংৰাজী উচ্চাৰণ উন্নত কৰিবৰ বাবে এটা ভাল উপায় হৈছে যিমানদূৰ সম্ভৱ হয় ইংৰাজী ধ্বনি শুনিব লাগে। ৰেডিঅ'ত ইংৰাজী শুনিবলৈ যত্ন কৰি চাওক। যদি আপুনি ৰেডিঅ'ৰ সকলোবোৰ কথা আৰু গান বুজিও নাপায়, তথাপি শুনক আৰু ইংৰাজী ধ্বনিবোৰ উচ্চাৰণ কৰিবলৈ চেষ্টা কৰক।

শিক্ষকে কেনেকৈ ইংৰাজী বৰ্ণ আৰু ধ্বনিবোৰ ছাত্ৰ-ছাত্ৰীসকলক চিনাকি কৰাইছে, সেয়া তলত দিয়া দুটা ঘটনা অধ্যয়নৰ পৰা আপুনি জানিব পাৰিব।

## ঘটনা অধ্যয়ন ১ ঃ পাৰবিন বেগমে ‘b’ ধ্বনি শিকাইছে (Case Study 1: Parveen Begum teaches the sound of ‘b’)

পাৰবিন বেগম অসমৰ এগৰাকী শিক্ষয়িত্ৰী। তেখেতে প্ৰথম শ্ৰেণীত পাঠদান কৰে।

মোৰ কিছুমান সৰু সৰু বস্তু যেনে - বেগ, এটা বেলুন আৰু এডাল ব্ৰাছ আছিল আৰু ‘b’ ৰে আৰম্ভ হোৱা কেইখনমান ছবি আছিল যেনে - boat, bicycle আৰু buffalo। মোৰ এডোখৰ (blue) নীলা ৰঙৰ কাপোৰো আছিল।

‘Today we will focus on the letter 'b' and the sound of 'b' (অৰ্থাৎ আজি আমি 'b' বৰ্ণ আৰু ইয়াৰ ধ্বনিৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিম) বুলি কৈ মই পাঠটো আৰম্ভ কৰিছিলোঁ। আহাঁচোন আমি আজি 'b' ধ্বনিৰে আৰম্ভ হোৱা কিছুমান ইংৰাজী শব্দ শিকোঁ।

কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ‘ব’ ধ্বনিৰে আৰম্ভ হোৱা শব্দ কৈছিল। তেওঁলোকে যেতিয়া এই কাম কৰিছিল, তেতিয়া মই নিশ্চিত হৈছিলোঁ যে, আমাৰ ভাষাৰ এই ধ্বনিটোৰ ইংৰাজী 'b' ধ্বনিৰ সৈতে মিল বা সাদৃশ্য আছে। মই শ্ৰেণীত 'b' ধ্বনিৰে আৰম্ভ হোৱা ছাত্ৰ-ছাত্ৰীৰ নামবিলাকো উনুকিয়াই দিছিলোঁ। যেনে - বিপুল আৰু বিনিতা।

এদিন আমি 'b' ৰে আৰম্ভ হোৱা শব্দৰ এখন তালিকা প্ৰস্তুত কৰিছিলোঁ। তালিকখনৰ পৰা মই এটা খুউব সাধাৰণ সাধু সৃষ্টি কৰিছিলোঁ। সাধুটো এনেধৰণৰ — Once we had a list of words that start with ‘b’, I created a very simple story from the list: Bala went to the market to buy a cricket bag, a new bag for her school books, a brush for her hair and a basket to keep the brush in. But in the end, she saw a blue balloon and she bought that instead.

তাৰপাছত 'b' ধ্বনিৰে আৰম্ভ হোৱা শব্দবোৰৰ ছবি আঁকিবৰ বাবে আৰু এই ছবিবোৰক লৈ তেওঁলোকক নিজাকৈ সাধু সৃষ্টি কৰিবলৈ মই কৈছিলোঁ।

### চিন্তন (Pause for thought)

- এই পাঠৰ বাবে পাৰবিন বেগম কেনেকৈ প্ৰস্তুত হৈছিল?
- বৰ্ণৰ নাম আৰু ধ্বনিৰ মাজৰ পাৰ্থক্যৰ বাবে ছাত্ৰ-ছাত্ৰীসকল দোধোৰ মোধোৰত পৰিব বুলি আপুনি ভাবে নেকি? পাৰবিন বেগমে এই দোধোৰ মোধোৰ অৱস্থাৰ কেনেকৈ নোহোৱা কৰিলে?
- পাৰবিন বেগমে ছাত্ৰ-ছাত্ৰীসকলৰ বোধ শক্তি কেনেকৈ মূল্যায়ন কৰিলে?

# ২) শ্ৰেণীকোঠাত বৰ্ণ, ধ্বনি আৰু শব্দ (2 Letters, sounds and words in the classroom)

## ঘটনা অধ্যয়ন ২ ঃ নন্দা বৰুৱাই পাঠ্যপুথি আৰু flash কাৰ্ড ব্যৱহাৰ কৰে (Case Study 2: Nanda Baruah uses the textbook and flash cards)

নন্দা বৰুৱা অসমৰ এগৰাকী শিক্ষয়িত্ৰী। তেখেতে দ্বিতীয় শ্ৰেণীত পাঠদান কৰে।

মই ইংৰাজী বৰ্ণৰ কাৰ্ডৰ এটা চেট তৈয়াৰ কৰিছিলোঁ (চিত্ৰ ১)। এই কাৰ্ড বিলাকত ইংৰাজী বৰ্ণমালাৰ কিছুমান বৰ্ণৰ লগত কিছুমান বৰ্ণ সংযুক্ত হৈ আছিল; যেনে - 'ch', 'sh', 'ph' আৰু 'th'। এই কাৰ্ডবোৰ প্ৰস্তুত কৰিবলৈ বেছি সময় নালাগিছিল আৰু কাৰ্ডবোৰ সদায় ব্যৱহাৰোপযোগী আছিল।




চিত্ৰ ১ - বৰ্ণ কাৰ্ডৰ ব্যৱহাৰ

মই পাঠ্যপুথিৰ পৰা পাঠ এটা বাছি ল'লো । এই পাঠত থকা মূল শব্দবোৰৰ বাবে ফ্লাচ কাৰ্ডৰ অন্য এটা চেট প্ৰস্তুত কৰি ল'লোঁ। কাৰ্ডৰ এফালে মই শব্দবোৰ লিখিলোঁ আৰু আনফালে মই ছবিবোৰ আঁকিলো — নতুবা কোনো আলোচনীৰ পৰা শব্দবোৰৰ ছবি সংগ্ৰহ কৰিলোঁ (যেনে - 'apple', 'mango', 'banana', 'roti', 'fish')। পাঠটো আৰম্ভ কৰাৰ আগতে, মই পাঠৰ ইংৰাজী শব্দবোৰ যাতে আত্মবি ◌াসেৰে ক'ব পাৰো তাৰ বাবে শব্দবোৰ ইংৰাজীত ক'বলৈ অনুশীলন কৰিলোঁ। মাজে মাজে মোৰ ইংৰাজী উচ্চাৰণবোৰ ঠিকে আছেনে নাই জানিবৰ বাবে মোতকৈ ইংৰাজীত ভাল বন্ধু এজনক কৈ শুনাও।

শ্ৰেণীত মই ছবিৰ কাৰ্ডবোৰ দেখুৱাই প্ৰতিটো ছবিৰ শব্দ আৰু নামবোৰ কওঁ অৰ্থাৎ মই কওঁ — ('Repeat after me........mango') শ্ৰেণীত মই ছবিৰ কাৰ্ডবোৰ ওলোমাই দি প্ৰতিটো ছবিৰ শব্দ আৰু নামবোৰ কৈ গ'লো আৰু ছাত্ৰ-ছাত্ৰীসকলক মোৰ পাছত শব্দবোৰ দোহাৰিবলৈ কলোঁ 'mango'। মই এই কামটো কেইবাবাৰো কৰোঁ। এই ত্ৰি য়া-কলাপটো আৰম্ভনিৰে পৰা আকৌ কৰোঁ। এইবাৰ মই প্ৰতিটো শব্দৰ প্ৰথম ধ্বনিটোৰ ওপৰত গুৰুত্ব দি ক'বলৈ লওঁ, যেনে - 'm-mango'। এই শব্দবোৰ ব্যৱহাৰ কৰি মই ছাত্ৰ-ছাত্ৰীসকলক সৰু সৰু প্ৰ ◌ সুধিবলৈ লওঁ যাতে বাক্যত তেওঁলোকে সেই শব্দবোৰ পুনৰ শুনিবলৈ পায়। উদাহৰণস্বৰূপে, মই সোধো 'Do you like mango?' তেওঁলোকে 'yes' বা 'no' বুলি উত্তৰ দিব পাৰে।

তাৰপাছত মই ছাত্ৰ-ছাত্ৰীসকলক বৰ্ণৰ কাৰ্ডসমূহ দেখুৱাওঁ আৰু ওলোমাই দিয়া কাৰ্ডখনত থকা 'a', 'm', 'b', 'ch' আৰু 'f' আদি বৰ্ণবোৰৰ ধ্বনি উচ্চাৰণ কৰাৰ অনুশীলন কৰাওঁ। অৱশেষত, মই এখন ছবি কাৰ্ড দেখুৱাই তেওঁলোকক সেই শব্দবোৰৰ প্ৰথম ধ্বনিটো ক'বলৈ কওঁ। অৰ্থাৎ মই যেতিয়া mango থকা কাৰ্ডখন দেখুৱাওঁ তেতিয়া তেওঁলোকে ধ্বনি উচ্চাৰণ কৰিলে 'm' বা বৰ্ণৰ নাম 'm' — দুয়োটাই শুদ্ধ।

সপ্তাহটোৰ ভিতৰত মই শিশুৰ সৰু সৰু দল গঠন কৰি তেওঁলোকক 'flash card' ৰ দুটাকৈ চেটৰ সহায়ত খেল খেলিবলৈ দিওঁ। খেলটো হ'ল - শব্দ আৰু ছবি কাৰ্ডৰ লগত বৰ্ণৰ কাৰ্ড মিলাব লাগে। যিটো দলে বৰ্ণ আৰু ধ্বনিৰ সংযোগ কৰাত অসুবিধা পায় মই নিজে সেই দলটোৰ লগত থাকো (সমল ২ 'Using group work' চাওক। কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ দলক সংগঠিত আৰু পৰিচালিত কৰিব পাৰি তাৰ বিষয়ে অধিক শিকিবৰ বাবে সমল ২ পঢ়ক)।

এই ত্ৰি য়া-কলাপসমূহত বৰ্ণবোৰ পঢ়িবলৈ, বৰ্ণবোৰৰ ধ্বনি ক'বলৈ আৰু তেওঁলোকে উচ্চাৰণ কৰা ধ্বনিৰ বিষয়ে ভাবিবলৈ মই ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰোঁ। কাৰ্ডত থকা সকলোবোৰ শব্দ পঢ়িবলৈ আৰু ক'বলৈকো শিকাওঁ। শব্দবোৰৰ অৰ্থৰ বিষয়ে তেওঁলোকক ভাবিবলৈ দিয়া আৰু এই শব্দবোৰ সৰু সৰু বাক্যত ব্যৱহাৰ কৰিবলৈ শিকোৱাটো গুৰুত্বপূৰ্ণ বুলি মই ভাবোঁ।

## **চিন্তন** (Pause for thought)

- নন্দা বৰুৱাই প্ৰস্তুত কৰা সমলবোৰ কি আছিল? এনেবোৰ সমল তৈয়াৰ কৰাটো আপোনাৰ বাবে কিমান সহজ বা কঠিন হ'ব পাৰে?
- নন্দা বৰুৱাই শিকোৱা বৰ্ণ, ধ্বনি আৰু শব্দৰ সংযোজনৰ পদ্ধতিটো আপোনাৰ মতে কিমান ফলপ্ৰসূ?
- এজন ছাত্ৰ বা ছাত্ৰীয়ে বৰ্ণমালাখন মাতিব পাৰে কিন্তু লিখিত বৰ্ণবোৰ চিনাক্ত কৰিব নোৱাৰা কথাটোৱে কি সূচায়?
- এজন ছাত্ৰই 'flash card' ত শব্দ পঢ়িব পাৰে কিন্তু একেটা শব্দই পাঠ্যপুথিত চিনাক্ত কৰিব নোৱাৰা

কথাটোৱে কি সূচায়?

- নন্দা বৰুৱাই কৰা শ্ৰেণীকোঠাৰ ত্ৰি য়া-কলাপবোৰে নুবুজাকৈ মুখস্থ কৰা কথাটোক কেনেকৈ অনুৎসাহিত কৰে?

ছাত্ৰ-ছাত্ৰীসকলক বৰ্ণ আৰু শব্দবোৰ গান গোৱাৰ দৰে আবৃত্তি কৰিবলৈ আৰু মনত ৰাখিবলৈ শিকাব পাৰি, বিশেষকৈ পাঠবোৰ পুনঃ পুনঃ পঢ়িবলৈ দিয়া হয় আৰু পাঠটোত কি আছে অনুমান কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে কি পঢ়িছে সেইটো তেওঁলোকে বুজি পোৱাটো ইয়াত ইমান প্ৰয়োজনীয় নহয়। নন্দা বৰুৱাৰ শ্ৰেণীকোঠাৰ ত্ৰি য়া-কলাপবোৰ বিভিন্ন প্ৰকাৰৰ আছিল আৰু এইবোৰ কথোপকথনৰ উপযোগী আছিল। নন্দা বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক অংশ গ্ৰহণ আৰু অনুমান কৰি ক'বলৈ উৎসাহিত কৰিছিল। তেওঁলোকে কোৱাৰ কথাবোৰ নন্দা বৰুৱাই শুধৰাই দিয়া নাছিল। বৰ্ণ আৰু ধ্বনিক পৃথকে পৃথকে নন্দা বৰুৱাই শিকোৱা নাছিল- শব্দত বৰ্ণ আৰু ধ্বনি চিনাক্তকৰণত ছাত্ৰ-ছাত্ৰীসকলক তেওঁ সহায় কৰিছিল যাতে এইটো ছাত্ৰ-ছাত্ৰীৰ বাবে অৰ্থপূৰ্ণ হয়। (যেনে - 'mango' আৰু 'roti')

**ভি.ডি. অ' ঃ** অগ্ৰগতি আৰু পাৰদৰ্শিতাৰ মান নিৰ্দ্ধপন (Video: Assessing progress and performance)

## ত্ৰি য়া-কলাপ ২ঃ বৰ্ণ, ধ্বনি আৰু শব্দ (Activity 2: Letters, sounds and words)

এতিয়া সমল ৩ পঢ়ক। এই খেল আৰু কামবোৰ মন কৰক। শ্ৰেণীত কৰি চাবৰ বাবে এটা ত্ৰি য়া-কলাপ বাছি লওক। সমল ৩ নাইবা ঘটনা অধ্যয়ন ১ আৰু ২ ৰ পৰাও আপুনি নিজৰ মতে ত্ৰি য়া-কলাপ বাছি ল'ব পাৰে।

আপুনি বাছি লোৱা ত্ৰি য়া-কলাপটোৰ বিষয়ে সম্ভৱ হ'লে আপোনাৰ সহকৰ্মীৰ লগত আলোচনা কৰক। আপোনাৰ শ্ৰেণীৰ প্ৰয়োজনীয়তাৰ লগত খাপ খোৱাকৈ যিকোনো প্ৰকাৰে খেল বা ত্ৰি য়া-কলাপ ল'ব পাৰিবনে বাৰু?

আপুনি শিকাই থকা পাঠ্যপুথিৰ পাঠৰ শব্দৰ লগত আপুনি ল'ব বিচৰা ত্ৰি য়া-কলাপটো মিলাই লওক। ছাত্ৰ-ছাত্ৰীৰ লগত কৰাৰ আগতে সহকৰ্মীৰ লগত ইয়াক এবাৰ কৰি চাবৰ বাবে যত্ন কৰিলে আপোনাৰ পাছত সুবিধা হ'ব।

বৰ্ণ আৰু ধ্বনি শিকোৱাটোৱে এই ত্ৰি য়া-কলাপসমূহৰ মূল লক্ষ্য, কিন্তু লগতে ছাত্ৰ-ছাত্ৰীয়ে যাতে এই ধ্বনিসমূহ ইংৰাজী শব্দৰ লগত মিলাব পাৰে আৰু এই শব্দবোৰৰ অৰ্থ যাতে বুজিব পাৰে সেইটো নিশ্চিত কৰাটোও সমানেই গুৰুত্বপূৰ্ণ। আপুনি বাৰু কেনেকৈ এইটো নিশ্চিত কৰিব?

আপুনি বাছি লোৱা ত্ৰি য়া-কলাপটো ছাত্ৰ-ছাত্ৰীৰ লগত কৰি চাওক। তাৰপাছত কোনটো ভালকৈ কৰিব পাৰি আৰু পাছৰবাৰ ইয়াক কেনেকৈ অলপ বেলেগ ধৰণে কৰিব পাৰি সেইটো ভাবি চাওক।




চিত্ৰ ৩ - বৰ্ণ কাৰ্ডৰ সহায়ত ত্ৰি য়া-কলাপ

ইংৰাজী বৰ্ণ আৰু ধ্বনি শিকনত ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি আৰু তেওঁলোকৰ এই বৰ্ণ, ধ্বনিৰ জ্ঞানক কেনেকৈ তেওঁলোকৰ পঠন আৰু লিখনত প্ৰয়োগ কৰা হৈছে সেইবিষয়ে নিৰীক্ষণ কৰাটো এটা ভাল চিন্তা। ছাত্ৰ-ছাত্ৰীসকলৰ গাইগুটীয়া অগ্ৰগতিৰ খতিয়ান ৰাখিবৰ বাবে এখন সাধাৰণ চিহ্ৰ তালিকা বা টেবুলে আপোনাক সহায় কৰিব পাৰে। ইয়াৰ জৰিয়তেই আপুনি ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ খতিয়ানো প্ৰস্তুত কৰিব পাৰিব।

- বৰ্ণমালাখন মাতিব পাৰে
- বৰ্ণবোৰ চিনাক্ত কৰিব পাৰে
- বৰ্ণবোৰ চিনাক্ত কৰিব পাৰে কিন্তু ত্ৰ মানুসাৰে নহয়
- ধ্বনিৰ লগত বৰ্ণৰ নাম মিলাব পাৰে
- বৰ্ণৰ নমুনাক ধ্বনিৰে মিলাব পাৰে (যেনে - 'ch', 'sh', 'th')
- সহজ শব্দ পঢ়িবৰ বাবে বৰ্ণ, ধ্বনিৰ জ্ঞান আছে
- সহজ শব্দ লিখিবৰ বাবে বৰ্ণ, ধ্বনিৰ জ্ঞান প্ৰয়োগ কৰিব পাৰে
- ফ্লাচ কাৰ্ডৰ শব্দ পঢ়িব পাৰে
- বাক্যত শব্দ পঢ়িব পাৰে

## ৩) শব্দ আৰু বানান (3 Words and spellings)

ছন্দযুক্ত শব্দৰ ব্যৱহাৰ আৰু শ্ৰৱণে ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজীত বৰ্ণ আৰু ধ্বনিৰ চিনাক্তকৰণত সহায় কৰে। পাঠ্যপুথিত সন্নিৱিষ্ট পাঠবোৰৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে দীঘল পাঠৰ মাজত সৰু সৰু শব্দ বিচাৰি উলিয়াব পাৰে।

ছন্দযুক্ত শব্দ চিনাক্তকৰণত ছাত্ৰ-ছাত্ৰীৰ সহায় হোৱাকৈ আপুনি এনেকুৱা পাঠবোৰ উপযোগী কৰি ল'ব পাৰে।

প্ৰথম শ্ৰেণীৰ পাঠ্যপুথিৰ পৰা এটা উদ্ধৃতি ৩ নং ত্ৰি য়া-কলাপত ব্যৱহাৰ কৰা হৈছে। ছন্দযুক্ত শব্দৰে উদ্ধৃত অংশৰ আৰম্ভণি হৈছে। প্ৰতিযোৰ শব্দৰ এটা শব্দ সাধুটোত আছে আৰু ছাত্ৰ-ছাত্ৰীয়ে এই শব্দবোৰ বিচাৰি উলিয়াব লাগে।

### ত্ৰি য়া-কলাপ ৩ঃ শব্দ কাৰ্যৰ বাবে পাঠ্যপুথিৰ ব্যৱহাৰ (Activity 3: Using the textbook for word work)

অৰ্থপূৰ্ণভাৱে শব্দ ব্যৱহাৰ কৰাত এই ত্ৰি য়া-কলাপে ছাত্ৰ-ছাত্ৰীক সহায় কৰে। আপুনি নিজেও চেষ্টা কৰি চাওকচোন।

এই শব্দবোৰ ডাঙৰকৈ পঢ়ক আৰু কওক। তাৰপাছত সাধুটোত সেই শব্দটো পালে ঘূৰণীয়া চিন দিব।

| | | | |
|---|---|---|---|
| few | bed | see | back |
| new | red | tree | sack |

Ravi is crying. ‘I CAN’T SEE MY NEW BAG!’ he says.

‘Is your bag new?’ asks the teacher.

‘Yes, it is,’ says Ravi.

‘Is it red and yellow?’

‘Yes, it is.’

‘I can see it,’ says the teacher.

‘Where?’

‘It’s on your back!’

এতিয়া আপোনাৰ পাঠ্যপুথিৰ পৰা এটা সৰু দফা বা উদ্ধৃতি লওক আৰু ওপৰৰ দৰে এটা ত্ৰি য়া-কলাপ প্ৰস্তুত কৰক আৰু লগতে উদ্ধৃতিত থকা ছন্দযুক্ত শব্দৰ চেট প্ৰস্তুত কৰক। আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে আপুনি পাঠ্যপুথিৰ পৰা লোৱা ছন্দযুক্ত শব্দ আৰু উদ্ধৃতিটো ব্যৱহাৰ কৰক। প্ৰথম শব্দটো ব্যৱহাৰ কৰি ত্ৰি য়া-কলাপটো কেনেকৈ কৰিব লাগে ছাত্ৰ-ছাত্ৰীৰ আগত প্ৰদৰ্শন কৰক।

আপুনি পছন্দ কৰা উদ্ধৃতি যদি এটা সংলাপ হয়, সংলাপটো ডাঙৰকৈ পঢ়ক, যাতে ছাত্ৰ-ছাত্ৰীসকলে বুজি পাইছে বুলি আপুনি নিশ্চিত হয়। আপুনি দুটা বেলেগ বেলেগ মাতেৰে দুটা পৃথক অংশ অভিনয়ৰ দৰেও কৰি দেখুৱাব পাৰে। ছাত্ৰ-ছাত্ৰীসকলকো আপোনাৰ লগত ল'ব পাৰে। মূক অভিনয়, ভংগিমা, শ্ৰেণীকোঠাৰ সামগ্ৰী ব্যৱহাৰ কৰিব পাৰে। মুঠতে আপুনি নিশ্চিত হ'ব লাগে যে ছাত্ৰ-ছাত্ৰীসকলে কথাবোৰ বুজি পাইছে।

ছাত্ৰ-ছাত্ৰীসকলে এই ত্ৰি য়া-কলাপবোৰ কৰি থাকোঁতে তেওঁলোকে ইংৰাজী বৰ্ণ নিৰ্দিষ্ট ত্ৰ মত চিনাক্ত কৰিব পাৰিছেনে নাই, ভালদৰে পঢ়িব পাৰিছেনে নাই, এই কথাবোৰ আপুনি মূল্যায়ন কৰিব পাৰে। উদ্ধৃতি বা দফাটো পঢ়িবলৈ আৰু ডাঙৰকৈ কোৱা ছন্দযুক্ত শব্দবোৰ মন দি শুনিবলৈ তেওঁলোকক যিমান পাৰে উৎসাহিত কৰক।

বৰ্ণ, ধ্বনি আৰু ইংৰাজীৰ বানানৰ মাজৰ সম্পৰ্কৰ বিষয়ে পাছৰ ত্ৰি য়া-কলাপত পাব।

## ত্ৰি য়া-কলাপ ৪ ঃ বানানৰ বাবে বৰ্ণ আৰু ধ্বনিৰ ব্যৱহাৰ (Activity 4: Using letters and sounds to spell)

এই ত্ৰি য়া-কলাপটো আপুনি কৰি চাওকচোন।

মাত্ৰ আঠ বছৰীয়া এগৰাকী ছোৱালীয়ে লিখা এটা ইংৰাজী গল্পৰ আৰম্ভণিখিনি আপুনি পঢ়ি চাওক।

> Ther ouns was two flawrs. Oun was pink and the othr was prpul. Thae did not like ech athr becuse thae whr difrint culrs. Oun day thae had a fite.

আপুনি এই গল্পটো পঢ়িব পাৰিছেনে আৰু কিবা বুজি পাইছেনে? আপুনি কেনেকৈ এইটো মূল্যায়ন কৰিব?

ছাত্ৰী গৰাকীয়ে গল্পটো লিখিবলৈ ইংৰাজীৰ বৰ্ণ আৰু ধ্বনিৰ বিষয়ে যিমান জানে সকলোখিনিয়েই ব্যৱহাৰ কৰিছে। তেওঁ বানানৰ ক্ষেত্ৰতো নিজৰ বিবেচনাৰেই আগবাঢ়িছে। পঠন আৰু লিখনৰ বিকাশত এনেকুৱা নতুন উদ্ভাৱিত বানান লিখাতো এটা স্তৰেই হয়। সাক্ষৰতাৰ বিকাশ প্ৰত্ৰি য়াৰ এটা ভাগ হিচাপে ছাত্ৰ-ছাত্ৰীৰ এই উদ্ভাৱিত বানান শিক্ষকে চোৱাতো গুৰুত্বপূৰ্ণ, কিয়নো এইটো ভুল নহয়। যেতিয়া আপোনাৰ কণ কণ শিশুসকলেও এদিন ইংৰাজীত বানান লিখিবলৈ ল'ব তেতিয়া তেওঁলোকেও বানানৰ এই বিকাশৰ বাবে বিভিন্ন স্তৰৰ মাজেদি আগবাঢ়িব—

এই স্তৰসমূহ হ'ল ঃ

- এটা শব্দ বা ধ্বনিক প্ৰকাশ কৰিবলৈ এটা মাত্ৰ বৰ্ণ ব্যৱহাৰ কৰে, যেনে - 'you' ৰ বাবে 'u' নতুবা 'am' ৰ বাবে 'm'
- এটা শব্দক প্ৰতিনিধিত্ব কৰিবলৈ এটা বৰ্ণ বা বৰ্ণ গোট ব্যৱহাৰ কৰে। যেনে - 'come' ৰ বাবে 'kam', 'love' ৰ বাবে 'lv' আৰু 'This is a cat' ৰ বাবে 'dis iz a kat'.

এতিয়া আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ কিছুমান ইংৰাজী লিখনি চাওকচোন লগতে এনেকুৱা উদ্ভাৱিত ইংৰাজী বানান পায়নেকি সেইটো মন কৰি যাওক।

এই ধৰণৰ উদ্ভাৱিত বানানৰ প্ৰতি আপোনাৰ সঁহাৰি কেনেকুৱা হৈছে? আপুনি তেওঁলোকক লগে লগে শুধৰাই দিয়ে নেকি? আপুনি শুধৰাই দিয়াবোৰ ছাত্ৰ-ছাত্ৰীসকলে কেনেভাৱে গ্ৰহণ কৰে আপুনি বাৰু কেতিয়াবা ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ঘৰুৱা ভাষাতে ইংৰাজী বানানৰ ব্যাখ্যা কৰিবলৈ কৈছেনে?

এইটো এটা গুৰুত্বপূৰ্ণ কথা যে তেওঁলোকৰ এই উদ্ভাৱিত বানান আপুনি শুধৰাই দিব নালাগে। কিয়নো তেওঁলোকে শিকি থকা ভাষাটোৰ ধ্বনি আৰু বৰ্ণৰ ওপৰত তেওঁলোকে নিজে পৰীক্ষা-নিৰীক্ষা চলাই আছে। ছাত্ৰ-ছাত্ৰীয়ে ভাষাটো শুনি, পঢ়ি আৰু লিখি বানানৰ ওপৰত এটা ধাৰণা কৰি লয়। অনুশীলন আৰু বাহিৰৰ জগতৰ লগত পৰিচয় হোৱাৰ লগে লগে তেওঁলোকৰ বানান ত্ৰ মান্বয়ে সময়ৰ লগে লগে শুদ্ধ হৈ যাব।




অনুশীলন আৰু বাহিৰৰ জগতৰ লগত হোৱা পৰিচয়ৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ বানান ত্ৰ মান্বয়ে সময়ৰ লগে লগে শুদ্ধ হৈ যাব।

## ৪) সাৰাংশ (4 Summary)

ত্ৰি য়া-কলাপৰ যোগেদি ইংৰাজী বৰ্ণ আৰু ধ্বনিৰ বিষয়ে আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বৃদ্ধিৰ উপায় আপুনি এই গোটত পাব। পঠন আৰু লিখনৰ মাজেদিয়েই বৰ্ণ আৰু ধ্বনিক সংলগ্ন কৰি শিকাই যাবৰ বাবে এইটো এটা সুন্দৰ অনুশীলন যাতে ছাত্ৰ-ছাত্ৰীয়ে আছুতীয়াকৈ বৰ্ণ শিকিবলগীয়া নহয়। আপুনি যদি পাৰে আপোনাৰ নিজৰ উচ্চাৰণ ভাল কৰিবলৈ ৰেডিঅ'ৰ ইংৰাজী কথোপকথন আৰু গান শুনক। আপোনাৰ শ্ৰেণীকোঠাত নিয়মিতভাৱে ৰেডিঅ'ত ইংৰাজী কথোপকথন শুনা কাৰ্য সম্ভৱ কৰিব পাৰি নেকি ভাবি চাওক। মোবাইল ফোন নাইবা কম্পিউটাৰৰ 'কী ব'ৰ্ড'ত আপুনি ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজী বৰ্ণখিনি দেখুৱাব পাৰিবনে?
এই বিষয়ে আন গোটবোৰ হ'ল ঃ

- শ্ৰেণীকোঠাৰ ৰুটিন *(Classroom routines)*
- সৃজনমূলকভাৱে পাঠ্যপুথিৰ ব্যৱহাৰ *(Using the textbook creatively)*
- গীত, ওমলা গীত আৰু শব্দৰ খেল *(Songs, rhymes and word play)*
- সাধু কথন *(Storytelling)*
- অংশীদাৰী পঠন *(Shared reading.)*

## সমলসমূহ (Resources)

## সমল ১ ঃ উচ্চাৰণ নিৰ্দেশক (Resource 1: Pronunciation guide)

ইংৰাজী যিহেতু আপোনালোকৰ প্ৰথম ভাষা নহয় সেয়েহে আপুনি ইংৰাজীৰ সঠিক উচ্চাৰণ আশা কৰিব নোৱাৰে। যদিও আপুনি ইংৰাজী লিখিছে, পঢ়িছে তথাপি ইয়াক মন দি শুনা নহয় নাইবা ক'বলৈ অলপ লাজ কৰে। আপোনাৰ ইংৰাজী উচ্চাৰণ সঠিকভাৱে কৰিবলৈ ৰেডিঅ' আৰু টেলিভিছনৰ অনুষ্ঠানত ইংৰাজী শুনাটোও এটা উপায় হ'ব পাৰে। অন্য এটা উপায় হ'ব পাৰে ভাল অভিধানত থকা উচ্চাৰণ নিৰ্দেশক ব্যৱহাৰ কৰা।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে যদি আপুনি কোৱা ইংৰাজী ভালকৈ বুজি পোৱাটো বিচাৰিছে তেন্তে আপুনি যিমান পাৰে সিমান ভালকৈ ইংৰাজী উচ্চাৰণ কৰিবলৈ চেষ্টা কৰক।

তলত দিয়া উচ্চাৰণ নিৰ্দেশক ব্যৱহাৰ কৰি আপুনি মূল vowel আৰু consonant ৰ উচ্চাৰণ কিমান ভালকৈ পাৰে চাব পাৰে বা vowel আৰু consonant ৰ সংযুক্তি কেনেকৈ উচ্চাৰণ কৰে সেইটো চাব পাৰিব। যিবোৰ শব্দৰ উচ্চাৰণ লৈ আপোনাৰ নিজৰ ওপৰত বি শ্বাস কম হৈ আছে সেইবোৰত আপুনি চিহ্ন দিয়ক আৰু এই ধ্বনিবোৰত থকা শব্দ শুনিবলৈ আৰু ক'বলৈ পদক্ষেপ গ্ৰহণ কৰক।

## Single vowels

short a (mat, ant)

short e (bed, end)

short i (fish, it)

short o (shop, hot)

short u (bus, under)

long a (race, late)

long e (these, scene)

long i (time, like)

long o (home, bone)

long u (tune, use)

## Pairs of vowels making a new sound

ai (train, paint)

ea (leaf, dream)

ee (sheep, been)

oa (boat, road)

oo (look, good)

ou (ground, out)

## Vowel changed by a consonant

ar (car, park)

er (her, verse)

ir (bird, shirt)

or (short, or)

ur (ture, purple)

ow (town, shower/show, low)

ay (day, play)

## Pairs of consonants making new sounds

th – unvoiced (three, thanks)

th – voiced (this, mother)

sh (she, short)

ch (which, chicken)

ph (phone, elephant)

gh (laugh, enough, high, although)

wh (what, why)

### Others

all (all, fall)

qu (queen, quick)

y (sunny, happy)

ing (sing, talking)

## সমল ২ ঃ দলীয় কাৰ্য ব্যৱহাৰ কৰি (Resource 2: Using groupwork)

সমূহীয়া লক্ষ্যত উপনীত হোৱাত উৎসাহ যোগাবৰ বাবে দলীয় কাৰ্য হৈছে এক পদ্ধতিগত, সত্রি য় আৰু পৈণত শিক্ষণ কৌশল। সৰু সৰু দলবোৰে সংগঠিত ত্রি য়া-কলাপৰ মাজেৰে বেছি সত্রি য় আৰু ফলপ্রসূ শিকনৰ পৃষ্ঠপোষকতা কৰে।

### দলীয় কাৰ্যৰ পৰা হোৱা লাভালাভ (The benefits of groupwork)

চিন্তা কৰা, যোগাযোগ কৰা, ভাব চিন্তনৰ বিনিময় কৰা আৰু সিদ্ধান্ত গ্রহণৰ বাবে আপোনাৰ ছাত্র-ছাত্রীসকলক উৎসাহিত কৰি উদ্গনি দিবৰ বাবে দলীয় কাৰ্য এক অতি ফলপ্রসূ পদক্ষেপ হ'ব পাৰে। আপোনাৰ ছাত্র-ছাত্রীসকলে শিকন আৰু শিক্ষণ দুয়োটাই আনৰ পৰা আহৰণ কৰিব পাৰে।

শিকনৰ এটা শক্তি শালী আৰু সত্রি য় ৰূপ হিচাপে ছাত্র-ছাত্রীসকল দলত বহাতকৈ দলীয় কাৰ্য কৰা বেছিহে ভাল; ই এটা স্পষ্ট উদ্দেশ্যৰে কৰা কামত সকলোকে জড়িত কৰি ৰাখে। শিকনৰ বাবে আপুনি দলীয় কাৰ্য কিয় ব্যৱহাৰ কৰিছে সেই বিষয়ে আপুনি নিজে স্পষ্ট হোৱা প্রয়োজন আৰু বক্তৃতা, যুৰীয়া কাৰ্য বা ছাত্র-ছাত্রীয়ে নিজাববীয়াকৈ কৰা কামতকৈ এই দলীয় কাৰ্য কিয় বেছি গ্রহণযোগ্য বা শ্রেষ্ঠ সেইটোও আপুনি জনাৰ প্রয়োজন। এনেকৈ দলীয় কাৰ্য সুপৰিকল্পিত আৰু উদ্দেশ্যপূৰ্ণভাৱে সজোৱা হ'ব লাগে।

### দলীয় কাৰ্যৰ পৰিকল্পনা (Planning groupwork)

কেতিয়া আৰু কেনেকৈ আপুনি দলীয় কাৰ্য ব্যৱহাৰ কৰিব সেইটো নিৰ্ভৰ কৰিব পাঠটোৰ শেষত আপুনি কি শিকন আশা কৰিছে তাৰ ওপৰত। পাঠৰ যোগেদি আপুনি আৰম্ভণিতে বা মাজত বা শেষত দলীয় কাৰ্য অন্তৰ্ভুক্ত কৰাব পাৰে, কিন্তু তাৰবাবে আপোনাক যথেষ্ট সময়ৰ প্রয়োজন হ'ব। দলটো ভালকৈ সংগঠিত কৰা আৰু আপোনাৰ ছাত্র-ছাত্রীক সম্পূৰ্ণ কৰিবলৈ দিব বিচৰা কামৰ বিষয়ে চিন্তা কৰাৰো প্রয়োজন আছে।

এজন শিক্ষক হিচাপে আপুনি যদি আগতীয়াকৈ পৰিকল্পনা যুগুত কৰিব পাৰে তেন্তে দলীয় কাৰ্য কৃতকাৰ্য হ'ব বুলি আপুনি নিশ্চিত হ'ব পাৰে।

- দলীয় কাৰ্যৰ লক্ষ্য আৰু আকাংক্ষিত ফলাফল
- ত্রি য়া-কলাপৰ বাবে নিৰ্ধাৰিত সময় - যিকোনো প্রতিপুষ্টি বা সাৰাংশ সামৰি
- দলটো কেনেকৈ ভগাব (কেইটা দল হ'ব, প্রতিটো দলত কেইজন ছাত্র-ছাত্রী থাকিব, দলৰ নীতি-নিয়ম)
- দলটো কেনেকৈ সংগঠিত কৰিব (বেলেগ বেলেগ দলৰ সদস্যৰ ভূমিকা, নিৰ্ধাৰিত সময়, সা-সঁজুলি, ৰেক'ৰ্ডিং আৰু কাৰ্য বিৱৰণ)
- মান নিৰূপণ কেনেকৈ নথিভুক্ত কৰিব (দলীয় মূল্যায়নৰ পৰা ব্যক্তি গত মূল্যায়নক পৃথক কৰোঁতে সাৱধান হ'ব)
- দলীয় ত্রি য়া-কলাপ কেনেকৈ নিৰীক্ষণ কৰিব

### দলীয় কাৰ্য (Groupwork tasks)

আপুনি ছাত্র-ছাত্রীসকলক সম্পূৰ্ণ কৰিবলৈ দিয়া কামটো নিৰ্ভৰ কৰিব তেওঁলোকে কি শিকাতো আপুনি বিচাৰিছে তাৰ ওপৰত। দলীয় কাৰ্যত অংশগ্রহণ কৰি তেওঁলোকে এনেবোৰ কথা শিকিব; যেনে- প্রত্যেকেই প্রত্যেকৰ কথা শুনা, নিজৰ চিন্তা, ধাৰণাৰ বিনিময় কৰা আৰু সহযোগিতাৰে কাম কৰা। যি কি নহওক, তেওঁলোকৰ বাবে মূল লক্ষ্য হ'ল আপুনি শিকোৱা বিষয়টোৰ বিষয়ে কিবা শিকা। এনেকুৱা কাৰ্যৰ কেইটামান উদাহৰণ এনেধৰণৰ হ ব পাৰে।

- **উপস্থাপন (Presentations)** ঃ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীত কোনো বিষয় বা ত্ৰি য়া-কলাপ উপস্থাপন কৰিবৰ বাবে দলীয় কাৰ্য কৰে। বহুবাৰ এনে কৰিলে প্ৰত্যেকে একোটা বিষয়ৰ বিৰৰণ প্ৰত্যেকৰ পৰা শুনিবলৈ সুবিধা পায়। উপস্থাপন শৈলী ফলপ্ৰসূ তেতিয়া হয় যেতিয়া প্ৰত্যিটো দলক এটা বিষয়ৰ বেলেগ বেলেগ দিশ সম্পৰ্কে কাম কৰিবলৈ দিয়া হয়। নিৰ্দিষ্ট নিয়মাৱলীৰ মাজেৰে যাতে প্ৰত্যেকেই উপস্থাপন কৰিব পাৰে তাৰবাবে সময়ৰ প্ৰতি যথেষ্ট কঠোৰ হ'ব। পাঠৰ আগতেই এইবোৰ ভালদৰে ব'ৰ্ডত লিখি ল'ব। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ উপস্থাপনৰ পৰিকল্পনা কৰোঁতে এই নিৰ্ণায়ক মানবোৰ ব্যৱহাৰ কৰিব পাৰে আৰু প্ৰত্যেকেই প্ৰত্যেকৰ কামৰ মূল্যায়ন কৰিব পাৰে। নিৰ্ণয়িক প্ৰস্তুত কৰোঁতে তলৰ কথাকেইটা সামৰিব পৰা যায়। —
  - ○ উপস্থাপন স্পষ্ট আছিল নে?
  - ○ উপস্থাপন সু-সংগঠিত আছিল নে?
  - ○ উপস্থাপনৰ পৰা মই কিবা শিকিলোঁনে
  - ○ উপস্থাপনে মোক কিবা ভাবিবলৈ সুবিধা দিলেনে?

- **সমস্যা সমাধান (Problem solving)** ঃ ছাত্ৰ-ছাত্ৰীৰ দলীয় কাৰ্যই এটা বা এলানি সমস্যাৰ সমাধান কৰিব। বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষা পৰিচালনা, অংকৰ সমস্যা সমাধান, গল্প বা ইংৰাজী কবিতাৰ বি েষণ বা বুৰঞ্জীৰ কোনো ঘটনাৰ বি েষণ ইয়াত অন্তৰ্ভুক্ত হ'ব পাৰে।
- **হস্তশিল্প বা কোনো সামগ্ৰী প্ৰস্তুত কৰা (Creating an artefact or product)** ঃ এটা কাহিনী লিখা, নাটকৰ এটা অংক বা দৃশ্য ৰূপায়ন কৰা, যিকোনা সংগীত প্ৰস্তুত কৰা, কোনো মূৰ্ত্তিৰ বিষয়ে ব্যাখ্যা কৰা, কোনো বিষয় সম্পৰ্কে প্ৰতিবেদন পাঠ কৰা, নতুবা কোনো তথ্যৰ সাৰাংশৰে পোষ্টাৰ বনোৱা বা কোনোধৰণৰ ধাৰণাৰ ব্যাখ্যা কৰা ইত্যাদি কাম দলীয়ভাৱে ছাত্ৰ-ছাত্ৰীসকলে কৰিব পাৰে। নতুন বিষয় এটাৰ আৰম্ভণিতে চিন্তনৰ উদ্ৰেগ ঘটাবৰ বাবে দলসমূহক পাঁচ মিনিটমান সময় দিব লাগে। তেওঁলোকে বিষয়টো ইতিমধ্যে কিমান জানে সেইবিষয়ে ইয়াৰ পৰাই আপুনি জানিব পাৰিব আৰু সঠিক পৰ্যায়লৈ পাঠ আগবঢ়াই নিয়াত ই আপোনাক সহায় কৰিব।
- **পৃথকীকৃত ত্ৰি য়া- কলাপ (Differentiated tasks)** ঃ দলীয় কাৰ্য হৈছে বিভিন্ন বয়সৰ বা বিভিন্ন সাফল্যৰ স্তৰৰ ছাত্ৰ-ছাত্ৰীক এটা সঠিক কামৰ বাবে একেলগে কাম কৰিবলৈ দিয়া এটা সুযোগ। বেছি সাফল্য লাভ কৰাজনে কামটোৰ বিষয়ে ব্যাখ্যা কৰাৰ সুযোগ লাভ কৰি লাভৱান হ'ব পাৰে। আনহাতে কম সাফল্য লাভ কৰা ছাত্ৰ- ছাত্ৰীৰ বাবে শ্ৰেণীতকৈ দলত প্ৰ ন সুধিবলৈ সহজ হৈ পৰে আৰু সহপাঠীৰ পৰা শিকিব পাৰে।
- **আলোচনা (Discussion)** ঃ ছাত্ৰ-ছাত্ৰীসকলক এটা বিষয়ৰ বিষয়ে আলোচনা কৰিবলৈ দি তাৰ পৰা এটা সিদ্ধান্ত লৈ আহিবলৈ দিয়ক। এই ক্ষেত্ৰত শিক্ষকৰ অকণমান পূৰ্ব প্ৰস্তুতিৰ প্ৰয়োজন আছে। কাৰণ তেওঁ নিশ্চিত হ'ব লাগিব যে এই প্ৰসঙ্গত ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট জ্ঞান আছে। গতিকে এইধৰণে বিভিন্ন দিশ সম্পৰ্কে আগবঢ়োৱা যুক্তি, তৰ্ক, আলোচনা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে যথেষ্ট ফলপ্ৰসূ হয়।

### দল গঠন (Organising groups)

চাৰিৰ পৰা আঠজনীয়া সদস্যৰ দলটোৱেই আটাইতকৈ উপযুক্ত দল। কিন্তু এইটো আকৌ নিৰ্ভৰ কৰিব আপোনাৰ শ্ৰেণীৰ আকাৰ, পৰিৱেশ আৰু সা-সৰঞ্জাম তথা শ্ৰেণীত থকা ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু সাফল্যৰ স্তৰৰ ওপৰত। দলত থকা প্ৰত্যেকেই ইজনে সিজনৰ প্ৰতি লক্ষ্য ৰখা, চিঞৰ-বাখৰ নকৰাকৈ কথা কোৱা আৰু দলৰ পৰা ভাল এটা ফলাফল পাবৰ বাবে নিজৰ অৰদান আগবঢ়োৱাটো হৈছে এটা আদৰ্শ দলৰ বৈশিষ্ট্য।

- ছাত্ৰ-ছাত্ৰীসকলক কিয় আৰু কেনেকৈ ভাগ কৰা হ'ব সেইটো প্ৰথমে ঠিক কৰি ল'ব লাগে। উদাহৰণস্বৰূপে, বন্ধুত্বৰ বাবে, একেটা বিষয়ত আগ্ৰহী বাবে, একে সফলতাৰ স্তৰ, মিশ্ৰিতসকলৰ থকাৰ স্তৰলৈ চাই আপুনি দলবোৰ গঠন কৰিব পাৰে। আপুনি বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰি কি পদ্ধতি কি শ্ৰেণীৰ বাবে উপযুক্ত সেয়া আপুনি ঠিৰাং কৰি ল'ব পাৰিব।

- দলৰ সদস্যসকলক কি বিষয় বাব দিব তাৰ বাবে আপুনি পৰিকল্পনা কৰক। (উদাহৰণ ঃ টোকা লেখক, মুখপাত্ৰ, সময় ৰক্ষক আৰু সামগ্ৰী সংগ্ৰাহক) আৰু এইবোৰ কেনেকৈ কৰিব সেইবিষয়ে তেওঁলোকক স্পষ্টকৈ বুজাই দিয়ক।

## দলীয় কাৰ্যৰ পৰিচালনা (Managing groupwork)

দলীয় কাৰ্যক সুস্থিৰভাৱে পৰিচালনা কৰিবলৈ হ'লে আপুনি ৰুটিন আৰু নিয়ম ধাৰ্য কৰি লওক। আপুনি যেতিয়া নিয়মীয়াকৈ দলীয় কাৰ্য কৰাব, ছাত্ৰ-ছাত্ৰীসকলেও আপুনি তেওঁলোকৰ পৰা কি আশা কৰিছে বুজি পাব, তেতিয়া ইয়াক অতি আনন্দেৰে কৰিব। প্ৰাথমিক পৰ্যায়ৰ

শ্ৰেণীতেই দলীয় কাৰ্য পৰিচালনা কৰি এনে কাৰ্যৰ উপকাৰিতাৰ ধাৰণা লাভ কৰা ভাল। দলত ছাত্ৰ- ছাত্ৰীয়ে একেলগে কাম কৰাৰ ফলত কি লাভালাভ হয়, সেই বিষয়ে জানি লোৱাতো ভাল। ভাল দলীয়া কাৰ্যৰ ব্যৱহাৰ কেনেকৈ গঢ় লৈ উঠে, সেয়া আপুনি আৰম্ভনিতে ছাত্ৰ-ছাত্ৰীক বিভিন্ন দলত কাম কৰিবলৈ দি আলোচনা কৰা উচিত আৰু আপুনি নিয়মৰ এখন তালিকাও প্ৰস্তুত কৰি দেখা পোৱাকৈ বেৰত ওলোমাই দিব পাৰে। উদাহৰণস্বৰূপে, ইজনে সিজনৰ প্ৰতি সন্মান জনোৱা (Respect for each other), আনৰ কথা শুনা (Listening), ইজনে সিজনক সহায় কৰা (Helping each other), এটাতকৈ অধিক ধাৰণাৰ বাবে চেষ্টা কৰা (Trying more than one idea)

দলীয় কাৰ্যৰ বিষয়ে স্পষ্টকৈ মৌখিক নিৰ্দেশনা দিয়াটো গুৰুত্বপূৰ্ণ কথা। পাৰিলে ব'ৰ্ডতো লিখি দিব লাগে। আপোনাৰ কৰণীয় -

- আপোনাৰ পৰিকল্পনামতে ছাত্ৰ-ছাত্ৰীসকলক দলত কাম কৰিবলৈ নিৰ্দেশ দিয়ক। শ্ৰেণীকোঠাৰ কোন ঠাইত কাম কৰিব সেয়াও তেওঁলোকক জনাওঁক। শ্ৰেণীকোঠাৰ আচ-বাব তথা স্কুল বেগ আদি ঠিক ঠাক কৰি ল'বলৈকো নিৰ্দেশ দিয়ক।
- কামটোৰ বিষয়ে আপোনাৰ স্পষ্ট ধাৰণা থাকিব লাগিব। এই বিষয়ে চমু নিৰ্দেশনা ব'ৰ্ডত লিখক। ছবিৰ সহায়ো ল'ব পাৰে। আপুনি আৰম্ভ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীক প্ৰ ্ন সোধাৰ সুযোগ দিয়ক।

দলবোৰে কেনেকৈ কাম কৰিছে তাক নিৰীক্ষণৰ বাবে আপুনি শ্ৰেণীকোঠাৰ চাৰিওফালে ঘূৰি পকি চাওক। যদি তেওঁলোকে কামটোৰ লক্ষ্যৰ পৰা আঁতৰি অহা যেন পাইছে বা কিবা অসুবিধা পোৱা যেন দেখিছে তেন্তে আপুনি প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াওক।

কামৰ মাজতে আপুনি দলটো সাল-সলনিও কৰিব পাৰে। কামটো কৰি চাবৰ বাবে দুটা কৌশল আছে। দলীয় কাৰ্য সম্পৰ্কে আপোনাৰ আত্মবি ্বাস থাকিলে আপুনি তলত দিয়া কৌশল কেইটা চেষ্টা কৰি চাব পাৰে। এই কৌশল দুটা ডাঙৰ শ্ৰেণী এটা নিয়ন্ত্ৰণ কৰাত বিশেষ ভাবে সহায়ক হ'ব।

- **পাৰ্গত দল (Expert groups) ঃ** প্ৰতিটো দলকে বেলেগ বেলেগ কাম দিয়ক; যেনে - ইলেকট্ৰিচিটি উৎপাদনৰ এটা উপায়ৰ বাবে গৱেষণা নতুবা নাটকৰ বাবে এটা চৰিত্ৰ অংকন কৰা। নিৰ্দিষ্ট সময়ৰ পাছত দলটোক পুনৰ গঠন কৰি পেলাওক যাতে,প্ৰত্যেকটো নতুন দলতে পুৰণি সকলো দলৰ মাজৰ পৰা এজনকৈ পাৰ্গত ছাত্ৰ - ছাত্ৰী থাকে। নতুন দলত তেওঁলোকক অন্তৰ্ভুক্ত কৰক। তাৰপাছত তেওঁলোকক এটা কাম দিয়ক যাতে তেওঁলোকে আটাইকেইজন পাৰ্গত ছাত্ৰ-ছাত্ৰীৰ দিহা পৰামৰ্শ লৈ কামত আগবাঢ়িব পাৰে। যেনে - কিমান ক্ষমতাসম্পন্ন বিদ্যুৎ শক্তি প্ৰকল্প প্ৰস্তুত কৰিব নাইবা নাটকৰ এটা দৃশ্য কেনেকৈ প্ৰস্তুত কৰিব।

- **দূত (Envoys) ঃ** কাৰ্যটো যদি কিবা প্ৰস্তুতকৰণ নাইবা সমস্যা সমাধানৰ লগত জড়িত থাকে তেনেহ'লে, কিছু সময়ৰ পাছত এটা দলৰ পৰা আন এটা দললৈ বিশেষ প্ৰতিনিধি বা কটকী পঠাব লাগে। তেওঁলোকে নিজৰ ভাব ধাৰণাৰ তুলনা কৰি নাইবা সমস্যাৰ সমাধান কৰি নিজৰ দললৈ উভতি আহি কথাবোৰ ক'ব পাৰে। এনেদৰেও প্ৰত্যেক দলে প্ৰত্যেক দলৰ পৰা শিকিব পাৰে।

কামৰ শেষত, কি শিকা হ'ল তাক সাৰাংশ আকাৰত প্ৰকাশ কৰক আৰু যদি কিবা ভুল বুজাবুজি আপোনাৰ চকুত পৰিছিল তেন্তে তাৰ মীমাংসা কৰক। প্ৰতিটো দলৰ পৰা প্ৰতিপুষ্টি শুনিবলৈ বিচাৰিব নতুবা এটা বা দুটা দলক কাৰনো ভাল হ'ল সেইটো চিনাক্ত কৰি আন দলবোৰক ভাল ধাৰণাবোৰ আনৰ আগত ক'বলৈ উৎসাহিত কৰক। লগতে কোনটো আমোদজনক আছিল আৰু কোনটো কাৰ্য পাছত আৰু উন্নত কৰিব পৰা যাব এই সকলোবোৰৰ বিষয়ে প্ৰতিপুষ্টি লওক।

যদি আপোনাৰ শ্ৰেণীকোঠাত দলীয় কাৰ্য আৰম্ভ কৰিব বিচাৰে আপুনি সময়ত ইয়াক সংগঠিত কৰাত অসুবিধা পাব। কাৰণ কিছুমান ছাত্ৰ-ছাত্ৰী -

- শিকনৰ প্ৰতিৰোধী আৰু নিজকে কামটোত জড়িত নকৰা বিধৰ
- আনক তলত ৰাখিব বিচৰা বিধৰ
- কিছুমান ছাত্ৰ -ছাত্ৰীৰ দৃঢ়তা বা আত্মবি ্বাসৰ অভাৱ বা অন্তৰ্মুখী স্বভাৱ

দলীয় কাৰ্যক ফলপ্ৰসূ কৰিবৰ বাবে ওপৰত উল্লেখ কৰা সকলো কথাতে গুৰুত্ব দিব লাগিব। তাৰোপৰি কিমানদূৰ শিকন ফলপ্ৰসূ হৈছে সেয়াও মন কৰিব লাগিব আৰু কিমান ভালকৈ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হৈছে, সেয়াও লক্ষ্য কৰিব লাগিব (তেওঁলোক সকলো উপকৃত হ'লনে?) দলীয় কাৰ্য, সমল, সময় বা দল গঠনৰ বেলিকা কিবা সমাযোজনা কৰিবলগীয়া হ'লে পৰিকল্পনা কৰক। গৱেষণাই পৰামৰ্শ আগবঢ়াইছে যে ছাত্ৰ-ছাত্ৰীৰ কামৰ ভাল ফল পাবলৈ হ'লে সকলো সময়তে দলীয় কাৰ্যৰ প্ৰয়োজন নাই। সেয়ে, সকলো পাঠতে ইয়াক ব্যৱহাৰ কৰিব লাগিব বুলি কোনো বাধ্যবাধকতা নাই। অতিৰিক্ত কৌশল হিচাপে আপুনি দলীয় কাৰ্যক ব্যৱহাৰ কৰিলৈ হয়তো ভাল ফল পাব। এটা বিষয়ৰ পৰা আনটো বিষয়লৈ যাওঁতে বা এটা নতুন আলোচনা আৰম্ভ কৰোঁতে ইয়াক

ব্যৱহাৰ কৰিব পাৰে। শ্ৰেণীকোঠাত সমস্যা সমাধানৰ অনুশীলনত আৰু ব্যৱহাৰিক শিকন কাৰ্যৰ আৰম্ভণি বা চিনাকি পৰ্বতো ইয়াক ব্যৱহাৰ কৰিব পাৰে।

## সমল ৩ ঃ বৰ্ণ বা আখৰ, ধ্বনি আৰু শব্দৰ খেল (Resource 3: Letter, sound and word games)

এটা খেল বাছি লওক আৰু সহকৰ্মীৰ লগত অভ্যাস বা অনুশীলন কৰক। তাৰপাছত এই কাৰ্য শ্ৰেণীত কৰিবলৈ যত্ন কৰক।

### 'বৰ্ণ আৰু ধ্বনি' (Letters and Sounds)

**মৌখিক কাৰ্য** (Oral activity) ঃ বৰ্ণ এটাৰ ধ্বনি উচ্চাৰণ কৰক (উদাহৰণ - 'rrrr') ছাত্ৰ-ছাত্ৰীক সেই বৰ্ণৰে আৰম্ভ হোৱা শব্দ কওক উদাহৰণস্বৰূপে; তেওঁলোকক 'rain ' বা 'rabbit' ইংৰাজী বা অসমীয়াত ক'বলৈ কওক।

**পঠন আৰু শ্ৰৱণ কাৰ্য** (Reading and listening activity) ঃ ব'ৰ্ডত এটা বৰ্ণ লিখক। উদাহৰণ 'f ' বৰ্ণটো। তাৰপাছত বেলেগ এটা বৰ্ণৰ ধ্বনি উচ্চাৰণ কৰক। উদাহৰণস্বৰূপে - 'g' [gh] ৰ ধ্বনি নাইবা 'g' ৰে আৰম্ভ হোৱা এটা শব্দ যেনে - 'goat' । আপুনি কোৱা বৰ্ণ বা শব্দৰ যদি ব'ৰ্ডত লিখা বৰ্ণৰ লগত মিল আছে বুলি ছাত্ৰ-ছাত্ৰীয়ে ভাবে তেন্তে ছাত্ৰ-ছাত্ৰীসকলক হাত দাঙিবলৈ ক'ব। পাঠটো অনুধাৱন কৰিব পৰা ছাত্ৰক আপুনি নিৰীক্ষণ কৰক। এই কাৰ্য বেলেগ বেলেগ বৰ্ণ, ধ্বনি আৰু শব্দৰ লগতো কৰি চাওক ।

**'মই কি দেখিলো অনুমান কৰা ?'** (Guess What I See?) ঃ এই খেলটো যিকোনো স্তৰতে ব্যৱহাৰ কৰিব পাৰে। শ্ৰেণীকোঠাত দেখা যিকোনো এটা বস্তুৰ শব্দটো বাছি লওক। (যেনে - 'pen' , 'door' , 'chair' ) এই শব্দকেইটা কি কৈ নিদিব। শ্ৰেণীৰ বেছিভাগ ছাত্ৰ - ছাত্ৰীয়ে জনা এটা শব্দ ল'ব লাগে। তাৰপাছত কওক - "মই কি দেখিলো অনুমান কৰি কোৱাচোন"। মই কিবা এটা দেখিলো যি .............ৰে আৰম্ভ হৈছে। তাৰপাছত শব্দৰ প্ৰথম বৰ্ণটো ক'ব। যেনে - ' P' , 'd' বা ' ch' । ছাত্ৰ-ছাত্ৰীয়ে নিশ্চয় শব্দটো অনুমান কৰিব। অনুমান কৰা প্ৰতিটো শব্দৰে উচ্চাৰণৰ অনুশীলন কৰাওক।

ছাত্ৰ-ছাত্ৰীসকল যেতিয়া খেলটোৰ সৈতে পৰিচিত হ'ব, তেওঁলোকে দল বা দুজনে মিলি খেলটো খেলিব পাৰিব নতুবা শ্ৰেণীত নেতৃত্ব দিয়াৰ বাবে পাল পাতি খেলটো খেলিব।

**'শব্দৰ জখলা'** (Word Ladder) ঃ এই ক্ৰি য়া-কলাপৰ বাবে ছাত্ৰ-ছাত্ৰীক পাঠ্যপুথি ল'বলৈ ক'ব। এটা শব্দ শুনি এই খেল খেলিব লাগে। যেনে - 'pen'। পাছৰজন খেলুৱৈ বা দলে পূৰ্বৰ শব্দটোৰ শেষৰ ধ্বনি মতে বেলেগ এটা শব্দ ক'ব লাগিব। যেনে - 'nest'। খেলটো এনেকৈয়ে গৈ থাকিব। পাছৰজন খেলুৱৈ বা দলে বেলেগ ধ্বনি যেনে -'t' ৰে আৰম্ভ হোৱা শব্দ ক'লে তেনেকৈয়ে খেলটো খেলিব পাৰি।

**'এইটো একেনে ?'** (Is it the Same?) ঃ শ্ৰেণীৰ ছাত্ৰ - ছাত্ৰীসকলক দুটা বা ততোধিক দলত ভাগ কৰক। শেহতীয়াকৈ পঢ়োৱা এটা পাঠৰ পৰা কমেও বাৰটা নিৰ্বাচিত শব্দ ব'ৰ্ডত লিখক। তাৰে এটা শব্দ আঙুলিয়াই বা নিৰ্দেশক দণ্ডৰে দেখুৱাই শব্দটি কওক- (যেনে - 'page') । আপুনি কোৱা শব্দটো আপুনি আঙুলিয়াই দিয়া শব্দটো বা একেধৰণৰ আন শব্দ যেনে -' play ' or 'plane' হ'ব পাৰে। তেওঁলোকে ' it is the same' or 'it is not the same' বুলি ক'ব। এতিয়া এজন ছাত্ৰই এই শব্দটো ভুল নে শুদ্ধ নাইবা এই দুয়োটা শব্দ একে হয় নে নহয় ক'ব লাগিব । শুদ্ধ উত্তৰ দিব পৰা জনৰ দলে এক নম্বৰ লাভ কৰিব। এনেকৈ অন্যান্য দলৰ ছাত্ৰ-ছাত্ৰীকো সোধক আৰু কিছুসময় এনেদৰে কৰি চাওক। অলপ সময়ৰ পাছত ব'ৰ্ডৰ পৰা প্ৰথম দলৰ শব্দবোৰ মচি বেলেগ কিছুমান শব্দ লিখিব আৰু বেলেগ দলৰ লগতো প্ৰক্ৰি য়াটো আগবঢ়াই নিয়ক। প্ৰয়োজন সাপেক্ষে পুনৰাবৃত্তি কৰিব। দলে লাভ কৰা নম্বৰবোৰ ব'ৰ্ডত লিখি যাব।

**'শব্দৰ অংকন'** (Paint the Word) ঃ সৰু ল'ৰা-ছোৱালীৰ বাবে এই খেলত বৰ্ণমালাৰ এটা বৰ্ণ ল'ব পাৰি । ডাঙৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত এই ক্ৰি য়া - কলাপৰ বাবে শব্দ ব্যৱহাৰ কৰিব পাৰিব।

শেহতীয়া বা বৰ্তমান পঢ়াই থকা পাঠৰ পৰা এটা বৰ্ণ বা শব্দ যিমান পাৰে ডাঙৰকৈ আপোনাৰ মূৰৰ ওপৰলৈকে যোৱাকৈ ডাঙৰ তুলিকাৰে আঁকি পেলাওক। বৰ্ণটো আপুনি ব'ৰ্ডত লিখাৰ দৰে ছাত্ৰ-ছাত্ৰীৰ ফালে পিঠি দি আঁকিব। বৰ্ণ বা শব্দটো কি হ'ব পাৰে তেওঁলোকক অনুমান কৰিবলৈ দিয়ক। শুদ্ধকৈ অনুমান কৰিব পৰা ছাত্ৰজনক বাকীবোৰ ছাত্ৰই হাত চাপৰিৰে প্ৰশংসা কৰিব। এই কাৰ্য দুবাৰমান কৰি ছাত্ৰ-ছাত্ৰীসকলক নিজে কৰি চাবৰ বাবে পৰামৰ্শ দিব।

**'শব্দটো অনুমান কৰা'** (Guess the Word) ঃ পঢ়াই থকা পাঠ বা শেহতীয়াকৈ পঢ়োৱা পাঠৰ পৰা এটা শব্দ ব'ৰ্ডত লিখক। আপুনি শব্দটোৰ প্ৰথম দুটা বৰ্ণ লিখাৰ পাছতেই শব্দটো কি হ'ব পাৰে ছাত্ৰ - ছাত্ৰীক ক'বলৈ দিব। কোনেও শুদ্ধকৈ ক'ব নোৱাৰিলে তৃতীয়টো বৰ্ণ

লিখিব । কোনোবা এজনে শুদ্ধকৈ ক'ব নোৱাৰালৈকে ধাৰাবাহিকতা বজাই ৰাখিব। যদি আপুনি ইচ্ছা কৰে, প্ৰথমজন ছাত্ৰকে শব্দটো অনুমান কৰিবৰ বাবে ব'ৰ্ডলৈ মাতিব পাৰে আৰু লিখাৰ দায়িত্বও দিব পাৰে।

**'বহা!'** (Sit Down!) ঃ এই কাৰ্য আপুনি যিকোনো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ লগত যিকোনো দুটা বৰ্ণৰ যোৰ লৈ কৰিব পাৰে। তলত 'sh' ৰ উদাহৰণ দিয়া হৈছে।

'sh' বৰ্ণ দুটা ব'ৰ্ডত লিখক। প্ৰত্যেকেই ঠিয় হ'ব লাগিব। বৰ্তমানৰ বা পূৰ্ব পাঠৰ পৰা এটা শব্দ মুখেৰে ক'বলৈ দিয়ক। যদি কোৰা শব্দটোত 'sh' সোমাই আছে তেন্তে তেওঁক বহিবলৈ দিয়ক। যদি নাই তেওঁ ঠিয় হৈ থাকিব লাগিব। যদি আপোনাৰ শ্ৰেণীকোঠাত উঠা বহা কৰিবলৈ অসুবিধা হয় তেনেহ'লে হাত উঠোৱা নমোৱা কৰিবলৈ দিব। শাৰীৰিকভাৱে এনেদৰে পাঠৰ লগত জড়িত হ'লে ই ধেমালি কৰা যেনো হয় আৰু স্মৰণীয় শিকনো হয়।

**বৰ্ণমালাৰ ব'ৰ্ড খেল** (Alphabet Board Game) ঃ এইটো দলীয় খেল আৰু ইয়াৰ বাবে দ্বিতীয় শ্ৰেণীৰ পৰা ওপৰৰ অলপ ভাল শিকাৰু (Advanced learner) হ'লে ভাল যিয়ে বৰ্ণবোৰৰ নাম আৰু ধ্বনি শিকিছেহে মাত্ৰ। সমল আপুনি নিজেই প্ৰস্তুত বা যোগাৰ কৰাৰ প্ৰয়োজন। কাৰ্ড ব'ৰ্ডৰ ডাঙৰ টুকুৰাৰ ওপৰত ত্ৰ ম অনুসাৰে বৰ্ণমালাৰ বৰ্ণবোৰ লিখি লওক। প্ৰতিটো দলৰ ছাত্ৰ-ছাত্ৰীয়ে একোখনকৈ ব'ৰ্ড পাব লাগিব। প্ৰতিটো দলৰ ছাত্ৰ-ছাত্ৰীক এটা সংখ্যা থকা গুটি [(dice) লুডু বা পাশা খেলৰ গুটিৰ দৰে] দিয়ক। গুটিটোত তেওঁলোকে ডাইচটো ঘূৰাব আৰু বৰ্ণমালাৰ ওপৰত পেলাই দিব যিটো বৰ্ণৰ ওপৰত গুটিটো ৰৈ যাব সেই বৰ্ণৰ নাম আৰু ইয়াৰ ধ্বনি তেওঁলোকে ক'ব লাগিব। লগতে এটা শব্দ ক'ব লাগিব যিটো শব্দ এই বৰ্ণৰে আৰম্ভ হয়।

# Additional Resources

- Karadi Tales: http://www.karaditales.com/
- National Book Trust India: http://www.nbtindia.gov.in/
- NCERT textbooks: http://www.ncert.nic.in/NCERTS/textbook/textbook.htm
- Teachers of India classroom resources: http://www.teachersofindia.org/en
- Phonic stories, RV VSEI Resource Centre: http://www.rvec.in/

# References/bibliography


Bromley, H. (2000) *Book-based Reading Games*. London: Centre for Literacy in Primary Education.

Bryant, P. and Nunes, T (eds) (2004) *Handbook of Children's Literacy*. Dordrecht: Kluwer Academic Publishers.

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Goswami U. (2010a) 'Phonology, reading and reading difficulties', in Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) *Interdisciplinary Perspectives on Learning to Read*. London: Routledge.

Goswami U. (2010b) 'A psycholinguistic grain size view of reading acquisition across languages', in Brunswick, N., McDougall, S. and Mornay-Davies, P. (eds) *The Role of Orthographies in Reading and Spelling*. Hove: Psychology Press.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School*, 3rd edn. London: Routledge.

Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) (2010) *Interdisciplinary Perspectives on Learning to Read: Culture, Cognition and Pedagogy*. London: Routledge.

# Acknowledgements

This content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/), unless identified otherwise. The licence excludes the use of the TESS-India, OU and UKAID logos, which may only be used unadapted within the TESS-India project.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.